**Sample question paper 2021-2022**
**Class:X Term -I**
**Subject: Assamese**
**Code:014**

**Time: 90 minutes.** **Full marks: 40**

Section -A
Comprehension (বোধ পৰীক্ষণ)

১/ তলত দিয়া দফাটো ভালদৰে পঢ়ি যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা: ১×৪=৪

সুভাষ চন্দ্ৰ বসু বিলাতত থকা সময়তে ভাৰতত মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলনৰ প্ৰৱল জোৱাৰ উঠে। সেই জোৱাৰৰ অবাৰিত স্ৰোতে সুভাষৰ স্বাধীনতা প্ৰয়াসী মন- দিগন্তত হাজাৰ উৰ্মিৰ খলকনি তোলে।১৯২১ চনত তেওঁ বিলাতৰ পৰা ঘূৰি আহে।লগে লগে তেওঁলৈ আহে চৰকাৰী উচ্চপদৰ উপঢৌকন।কিন্তু সকলোকে আচৰিত কৰি সুভাষে আই.চি এছ. ডিগ্ৰী পৰিত্যাগ কৰি মুক্তি সংগ্ৰামত জপিয়াই পৰে। আৰম্ভ হ'ল তেওঁৰ ৰোমাঞ্চকৰ ৰাজনৈতিক জীৱন।গান্ধীজীৰ পৰামৰ্শ ক্ৰমে চিত্তৰঞ্জন দাসৰ শিষ্যত্ব গ্ৰহণ কৰি দেশ সেৱাৰ কঠোৰ অথচ সুবিমল দীক্ষাত দীক্ষিত হ'ল।দেশবন্ধুৰ পৰামৰ্শক্ৰমে সুভাষে জাতীয় শিক্ষালয়ৰ অধ্যক্ষ পদ গ্ৰহণ কৰে। লগে লগে কংগ্ৰেছ কমিটীৰ প্ৰচাৰ সচিব পদতো তেওঁ অধিষ্ঠিত হয়।

প্ৰশ্ন:

ক) অসহযোগ আন্দোলন কাৰ নেতৃত্বত গঢ় লৈ উঠিছিল?
i) চিত্তৰঞ্জন দাসৰ
ii) মহাত্মা গান্ধীৰ
iii সুভাষ চন্দ্ৰ বসুৰ
iv)দেশবন্ধুৰ

খ)কিমান চনত সুভাষ চন্দ্ৰ বিলাতৰ পৰা ঘূৰি আহে?
i)১৯২০
ii) ১৯২১
iii)১৯২২
iv)১৯২৩

গ)দেশবন্ধু বুলি কাক কোৱা হয়?
i) চিত্তৰঞ্জন দাসক
ii)মহাত্মা গান্ধীক
iii)সুভাষ চন্দ্ৰ বসুক
iv)ওপৰৰ এটাও নহয়

ঘ)কাৰ পৰামৰ্শত সুভাষ চন্দ্ৰই জাতীয় শিক্ষালয়ৰ অধ্যক্ষ পদ গ্ৰহণ কৰে?
i)চিত্তৰঞ্জন দাসৰ
ii )মহাত্মা গান্ধীৰ
iii)জৱাহৰলাল নেহৰুৰ
iv)নেতাজীৰ

ঙ)"পৰামৰ্শ" শব্দটোত কি উপসৰ্গ লগ লাগিছে?
i)প্ৰ
ii)পৰা
iii)পৰি
iv)পৰ

২/তলৰ দফাটোৰ পৰা যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা: ১×৪=৪

অসমৰ ভ্ৰাম্যমাণ নাট্য জগতত ড° ভবেন্দ্ৰ নাথ শইকীয়া আছিল মহীৰূহস্বৰূপ। ভ্ৰাম্যমান থিয়টাৰৰ বাবে তেওঁ ২০০১চনলৈকে ২৬ খন নাট ৰচনা কৰিছিল। শইকীয়াদেৱৰ কেইখনমান মঞ্চ সফল নাট হ'ল- দীনবন্ধু, আম্ৰপালি,বৃন্দাবন, এজাক জোনাকীৰ জিলমিল আদি।

ড° ভবেন্দ্ৰ নাথ শইকীয়াই এলানি নাটকো লিখি থৈ গৈছে। তাৰ ভিতৰত কোলাহল, দুৰ্ভিক্ষ, ইতিহাস, দেউতা, শিশু উপযোগী "শান্ত শিষ্ট হৃষ্ট পুষ্ট মহা দুষ্ট" আদি ধাৰাবাহিক আকাশবাণীৰ ৰাষ্ট্ৰীয় কাৰ্যসূচী আৰু গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰিত হৈছে।পিছলৈ ডিব্ৰুগড় কেন্দ্ৰ যোগেও নাটসমূহ প্ৰচাৰিত হয়।

প্ৰশ্ন:
ক)ভ্ৰাম্যমাণ নাট্যজগতত মহীৰূহস্বৰূপ বুলি কোৱা হয়---
i) ড° ভূপেন হাজৰিকাক
ii) ড° ভবেন্দ্ৰ নাথ শইকীয়াক
iii) অৰুণ শৰ্মাক
iv) ফণী শৰ্মাক
খ) "কোলাহল" নাটক ৰচনা কৰিছিল---
i) ড° ভবেন্দ্ৰ নাথ শইকীয়াই
ii)বিষ্ণুপ্ৰসাদ ৰাভাই
iii) জ্যোতিপ্ৰসাদ আগৰৱালাই
iv)ওপৰৰ এগৰাকীয়েও নহয়।
গ) ড° ভবেন্দ্ৰ নাথ শইকীয়াদেৱে ২০০১চনলৈ ভ্ৰাম্যমান থিয়েটাৰৰ বাবে কেইখন নাটক ৰচনা কৰিছিল?
i)২৬ খন
ii)২৭খন
iii)২৮খন
iv)২৯খন
ঘ)"শান্ত শিষ্ট হৃষ্ট পুষ্ট মহাদুষ্ট" ড° ভবেন্দ্ৰ নাথ শইকীয়াই ৰচনা কৰা--
i) কবিতাৰ কিতাপ
ii)উপন্যাস
iii)গল্প সংকলন
iv)শিশু নাট
ঙ)ড° ভবেন্দ্ৰ নাথ শইকীয়াই এলানি ৰেডিঅ' নাটকো লিখি থৈ গৈছিল। বাক্যটো-----
i)সৰল
ii)জটিল
iii)যৌগিক
iv) সমিধানবোধক

Section -B.

Writing and grammar

( লিখন কলা আৰু ব্যাকৰণ)

৩/ তলত দিয়া গল্পটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা: ১×৪=৪

এজন মানুহে এদিন খৰি লুৰিবলৈ গ'ল।হাবিৰ মাজত সি এটা সাপৰ পোৱালি পালে। পোৱালিটো অকণমান, বৰ ধুনীয়া।পোৱালিটোলৈ তাৰ বৰ মৰম উপজিল।সি তাক তাৰ ঘৰলৈ লৈ আহিল।সৰু পিঁজৰা এটাত ভৰাই থ'লে আৰু নিতৌ তাক গাখীৰ খুৱাবলৈ ধৰিলে। সাপটো ডাঙৰ হ'ল,পোহ মানিছে। এৰি দিলেও গুচি নাযায়। মানুহজনে ভাবিলে, সাপটোৱে এতিয়া মানুহক নোখোঁটে। এদিন আবেলি গিৰিহঁতৰ সৰু ল'ৰাটো সাপটোৰ কাষেৰে পাৰ হৈ যাবলৈ ধৰোতে সাপটোৱে ফনা তুলি তাক খুঁটিবলৈ আহিল। গিৰিহঁত ওচৰতে আছিল। খঙতে তেওঁ সাপটো একেকোবে মাৰি পেলালে।

প্ৰশ্ন:

ক) মানুহজন----লুৰিবলৈ গ'ল।

¡) হাবি

¡¡)বন

¡¡¡)খৰি

¡v)খেৰ

খ)পোৱালিটোলৈ মানুহজনৰ----উপজিল।

¡) খং

¡¡) দুখ

¡¡¡)মৰম

¡v)বেথা

গ) হাবিৰ মাজত মানুহজনে কি পালে?

¡) কেঁচু

¡¡)সাপ

¡¡¡)চৰাই

¡v)জোক

ঘ)তলৰ কোনটো ওপৰত দিয়া গল্পটোৰ বাবে এটা উপযুক্ত শিৰোনাম হ'ব পাৰে?

¡) গিৰিহঁত আৰু সৰু ল'ৰা

¡¡) অকৃতজ্ঞ সাপ

¡¡¡) এটা সৰু পিজ্ঁৰা

¡v) ওপৰৰ এটাও নহয়

অথবা,

৪/ তলৰ আদৰ্শমূলক ৰচনাৰ আৰ্হি দফাটোৰ পৰা নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা: ১×৪=৪

জীৱনৰ শিকিবলগীয়া সমস্ত কামৰ বাবে উপযুক্ত সময় হৈছে ছাত্ৰ অৱস্থা।ছাত্ৰজীৱনেই শৃংখলাবোধ,নিয়মানুৱৰ্তিতা আৰু কৰ্তব্যপৰায়ণতা অনুশীলনৰ উপযুক্ত সময়। এই কোমল মনৰ মাটিডৰাত শৃংখলাবোধ আৰু নিয়মানুৱৰ্তিতাৰ শইচ ছটিয়াব পাৰিলে পিছলৈ তাতেই অমৃত ফল ধৰিব।সেয়ে ভাৰতবৰ্ষত বৈদিক যুগৰপৰা ছাত্ৰসমাজৰ মাজত কঠোৰ ব্ৰহ্মচৰ্য পালনৰ নিৰ্দেশ দিয়া হৈছিল।গুৰুসকলৰ এই নিৰ্দেশ মানি শিষ্য সকলে জীৱনৰ বাবে আৱশ্যকীয় বিধি-শিক্ষা গ্ৰহন কৰিবলগীয়া হৈছিল।

শৃংখলাবোধ প্ৰকৃত পক্ষে জীৱন গঠনৰ বোধন মন্ত্ৰ।কিন্তু অৰ্থহীন নিয়ম-শৃংখলাৰ কবলত পৰি যাতে ছাত্ৰ

জীৱন অথলে নাযায়, তাৰ প্ৰতিও  ছাত্ৰসমাজ সাৱধান থকা উচিত।
প্ৰশ্ন:
ক)জীৱনৰ শিকিবলগীয়া কামৰ উপযুক্ত সময় কোনখিনি?
¡)আজৰি সময়
¡¡)ছাত্ৰ অৱস্থা
¡¡¡বৃদ্ধ অৱস্থা
¡v) আটাইকেইটা
খ)বৈদিক যুগৰ পৰা ছাত্ৰ সকলক কোনটো ব্ৰত পালন কৰিবলৈ কোৱা হৈছিল?
¡) ব্ৰহ্মচৰ্য
¡¡)গাৰ্হস্থ
¡¡¡)বানপ্ৰস্থ
¡v)সন্ন্যাস
গ)প্ৰকৃত জীৱন গঠনৰ মন্ত্ৰ কি?
¡) অধ্যৱসায়
¡¡)চেষ্টা
¡¡¡)ধৈৰ্য্য
¡v)শৃংখলাবোধ
ঘ) ওপৰৰ দফাটোত "কোমল মনৰ মাটিডৰা" বুলি কাৰ কথা কোৱা হৈছে?
¡) গুৰুসকলৰ
¡¡)ছাত্ৰসকলৰ
¡¡¡) পিতৃ-মাতৃৰ
¡v আটাইকেইটা

৫/ তলত দিয়া ফকৰা যোজনা কেইটাৰ শুদ্ধ উত্তৰটো বাচি লিখা (যিকোনো চাৰিটাৰ)    ১×৪=৪
ক) কিনা হাঁহৰ-----মঙহ।
¡)ডিঙিলৈ
¡¡)পাখিলৈ
¡¡¡)নখলৈ
¡v)ঠোঁটলৈ
খ)টেঙা-----এবাৰহে বেচিব পাৰি।
¡)মাত
¡¡)কথা
¡¡¡)আম
¡v)জাম
গ)ধান পকে মানে---মৰণ।
¡)চৰাইৰ
¡¡)টুনিৰ
¡¡¡)পৰুৱাৰ
¡v)হাতীৰ

ঘ)"গোৰ মাৰি গংগাত পেলোৱা"এই ফকৰা যোজনাটিৰ অৰ্থ হৈছে----

¡)অতি কষ্ট দিয়া

¡)বেছিকৈ পৰিশ্ৰম কৰিবলগীয়া হোৱা

¡¡¡)কোনোবাই কেতিয়াবা কাৰোবাৰ অনিষ্ট সাধন কৰিবলৈ চেষ্টা কৰোতে অনিষ্ট নহৈ উপকাৰহে হোৱা।

¡v)বৰকৈ অনিষ্ট হোৱা।

ঙ) "নাওঁ বুৰিলেও টিঙৰ পৰা ননমা" --এই ফকৰা যোজনাটিৰ অৰ্থ হ'ল--

¡) মানুহৰ অপকাৰ কৰিবলৈ চেষ্টা কৰা অনুচিত।

¡¡) হাজাৰ বিপদত পৰিলেও সমাজৰ একশ্ৰেণী লোকে কেতিয়াও নিজৰ অহংকাৰ এৰিব নিবিচাৰে।

¡¡¡) সামান্য ঘটনা বুলি কোনো কথাই আওহেলা কৰা উচিত নহয়।

¡v) আনৰ ওপৰত নিশ্চিত মনেৰে জীয়াই থকা।

৬/তলত দিয়া খণ্ডবাক্য কেইটাৰ শুদ্ধ অৰ্থ বাচি লিখা: (যিকোনো দুটাৰ) ১×২=২

ক)আঠু ল--

¡)আঠুৰে বুল

¡¡)আঠু চোঙা

¡¡¡)মাটিত আঠু লগাই সেৱা কৰা

¡v)ওপৰৰ এটাও নহয়

খ)গা এৰা দে--

¡)যত্ন কৰি চোৱা

¡¡)সম্পৰ্ক এৰা

¡¡¡)ৰক্ষা পৰ

¡v)শকত হ

গ)ঘৰ ধৰা---

¡)গৃহস্থালি চলোৱা

¡¡) সদায় ঘৰতে মই বৰ হৈ থকা

¡¡¡) গিৰিহঁতৰ ঘৰ নেৰা

¡v) ঘৰ গিৰী

৭/তলত দিয়া শব্দকেইটাত কি উপসৰ্গ লগ লাগিছে বাচি লিখা। (যিকোনো তিনিটাৰ) ১×৩=৩

ক)উত্থান-

¡)উৎ

¡¡)উত

¡¡¡)উদ্

¡v)উথ

খ)অভ্যুদয়-

¡)অভী

¡¡)অভু

¡¡¡)অভি

¡v)অভ্যু

গ)অত্যুক্তি -

¡)অতু

¡¡)অত্যু
¡¡¡)অতি
¡v)অতী
ঘ)উপসৰ্গ এবিধ-
¡) ধাতু
¡¡)অব্যয়
¡¡¡)ক্রিয়া
¡v)বিশেষ্য

৮/উত্তৰ লিখা: (যিকোনো তিনিটাৰ) ১×৩=৩
ক)"হে" অনুসৰ্গৰ ব্যৱহাৰ কি অৰ্থত হয়?
¡)আদেশ
¡¡)অনুৰোধ
¡¡¡)দৃঢ়তা
¡v)অনিশ্চয়তা
খ)তলত দিয়া কোনটো অনুসৰ্গ নহয়?
¡) এ
¡¡)পায়
¡¡¡) বি
¡v) হ'বলা
গ) "চোন" অনুসৰ্গৰ ব্যৱহাৰ কি অৰ্থত হয়?
¡) অনুৰোধ
¡¡) দৃঢ়তা
¡¡¡) নিশ্চয়তা
¡v)অনিশ্চয়তা
ঘ) অনুসৰ্গৰ আন এটা নাম---
¡)ক্রিয়াবাচক পৰসৰ্গ
¡¡)অব্যয়
¡¡¡)সন্ধি
¡v)উপসৰ্গ

৯/শুদ্ধ উত্তৰটো বাচি সন্ধি কৰা: (যিকোনো তিনিটাৰ) ১×৩=৩
ক)সম্+বাদ=
¡)সন্ বাদ
¡¡)সংবাদ
¡¡¡)সঙ্বাদ
¡v)সম্বাদ
খ) তত:+অধিক=
¡)ততোধিক
¡¡)ততধিক
¡¡¡)তাতোধিক

¡v)তত:ধিক
গ) জগৎ+ঈশ=
¡)জগদীশ
¡¡)জগৎঈশ
¡¡¡)জগদিশ
¡v)জগৎদীশ
ঘ) নি:+কলংক=
¡) নি:কলংক
¡¡)নিষ্কলংক
¡¡¡) নিকলংক
¡v) নীষ্কলংক

১০/ শুদ্ধ উত্তৰ বাচি লিখা: (যিকোনো তিনিটাৰ) ১×৩=৩
ক)আকৃতি বা গঠন অনুসৰি বাক্য কেইপ্ৰকাৰৰ?
¡ ) দুই প্ৰকাৰৰ
¡¡)তিনিপ্ৰকাৰৰ
¡¡¡) চাৰিপ্ৰকাৰৰ
¡v) পাঁচপ্ৰকাৰৰ
খ)পৃথিৱীৰ ঘূৰণীয়া বুলি সকলোৰে জানে। কি বাক্য?
¡)সৰল
¡¡)জটিল
¡¡¡)যৌগিক
¡v)সমিধানবোধক
গ) পৰিশ্ৰম কৰিবা তেহে উন্নতি কৰিব পাৰিবা।
¡) জটিল বাক্য
¡¡)সৰল বাক্য
¡¡¡)ভাৱবোধক বাক্য
¡v) যৌগিক বাক্য
ঘ) যদি নিয়মমতে ব্যায়াম কৰা, তেন্তে স্বাস্থ্য ভালে থাকিব।
¡) সৰল বাক্য
¡¡)প্ৰশ্নবোধক বাক্য
¡¡¡)জটিল বাক্য
¡v)যৌগিক বাক্য

Section --C

Literature part (গদ্য আৰু পদ্য)

১১/শুদ্ধ উত্তৰটো বাচি লিখা: (যিকোনো পাঁচটাৰ)
১×৫=৫
ক)মাধৱদেৱৰ বৰগীতৰ সংখ্যা কিমান?
¡) ১৫৪টা
¡¡)১৫৫টা

iii)১৫৭টা
iv)১৬৭টা
খ)বৰগীতৰ ভাষা--
i) মৈথিলী
ii)হিন্দী
iii)ব্ৰজাৱলী
iv)সংস্কৃত
গ)তোমাৰ পাঠত থকা বৰগীতটি কি ৰাগত বন্ধা আছে?
i) ৰাগ বসন্ত
ii)ৰাগ ভূপালী
iii)ৰাগ ভৈৰৱ
iv) ৰাগ ইমন
ঘ)কবিয়ে বান্ধৱ বুলি কাক সম্বোধন কৰিছে?
i) হৰিক
ii)সদাশিৱক
ii)ব্ৰহ্মাক
iv)গণেশক
ঙ)"অৰ্জুন-ভঞ্জন" কি?
i) জন্ম ৰহস্য
ii) ঝুমুৰা
iii) নাট
iv) আখ্যানমূলক ৰচনা
চ)হেজাৰী ঘোষা কাক বোলা হয়?
i) নামঘোষাক
i)কীৰ্তন ঘোষাক
iii)নামমালিকাক
iv)আদিকাণ্ড ৰামায়ণক

১২/ তলত দিয়া প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰটো বাচি লিখা: (যিকোনো ৫টাৰ) ১×৫=৫
ক)ছাত্ৰ জীৱন কিহৰ সময়?
i) শিক্ষা আহৰণৰ
ii) সমাজ সেৱাৰ
iii)খেল-ধেমালিৰ
iv) দেশৰ উন্নতিৰ
খ) নগৰৰ জনক-জননী বুলি কাক কোৱা হয়?
i) দেশক
ii)গাওঁক
iii)সমাজক
iv) ৰাজ্যক
গ) প্ৰকৃত নাৰায়ণ সেৱা কি?

¡) দেৱতা সেৱা
¡¡) দেশ সেৱা
¡¡¡) সমাজ সেৱা
¡v) নৰ সেৱা
ঘ)"ছাত্ৰজীৱন আৰু সমাজ সেৱা" কোনখন আলোচনীত প্ৰকাশিত প্ৰৱন্ধ?
¡) বাঁহী
¡¡)জোনাকী
¡¡¡) অসম বাণী
¡v)আৱাহন
ঙ)কাৰ্যকৰী শিক্ষাৰ ঠাইস্বৰূপে ছাত্ৰসকলে ক'ত নিজৰ কাৰ্যক্ষেত্ৰ বাচি ল'ব পাৰে?
¡) নিজৰ গাঁওখনতে
¡¡) নগৰত
¡¡¡)নিজৰ সমাজ খনত
¡v)নিজৰ দেশখনত
চ)ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াই ৰচনা কৰা এখন কবিতা পুথিৰ নাম হ'ল---
¡) প্ৰতিমা
¡¡)বীণ ব'ৰাগী
¡¡¡)কেতেকী
¡v)থুপিতৰা

------------------------